**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

অসমবাসীক শোকাহত কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য কালি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ 'জুবিনক্ষেত্ৰ'ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। তেওঁৰ নশ্বৰ দেহত মুখাগ্নি কৰাৰ লগে লগে অগণিত অনুৰাগীয়ে অশ্ৰু-অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক সমস্বৰে **মায়াবিনী** গীত গাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, এবছু, আটাছুকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আবাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে। ২১ জাঁই টোপধবনিৰে আৰক্ষীয়েও শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত অগণন লোকৰ জয়ধবনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ'ল গানেৰে জনতাৰ হৃদয়ত ঘৰ সজা শিল্পী জুবিন গাৰ্গ।

ইয়াৰ আগেয়ে কালি পুৱা ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হৈছিল। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে শেষকৃত্যৰ পাছত অস্থি সংগ্ৰহ কৰাৰ লগতে সমাধিস্থলীত শিল্পীগৰাকীৰ প্ৰিয় নাহৰ পুলি ৰোপণ কৰে।

পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে কালি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। শিল্পীগৰাকীৰ সন্মানাৰ্থে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যত সৃষ্টি হোৱা অভূতপূৰ্ব পৰিস্থিতিক লৈ দেশ-বিদেশৰ ভালেমান সংবাদ মাধ্যমে বাতৰি প্ৰচাৰ কৰিছে। তদুপৰি বহু যশস্বী সংগীত তাৰকাই তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। বলিউদৰ অভিনেতা আশীষ বিদ্যাৰ্থীয়ে জুবিন গাৰ্গৰ বিয়োগত এইদৰে কয় –

বাইট

মায়াৰ পৃথিৱী এৰি আদৰৰ শিল্পীগৰাকী কায়িকভাৱে আঁতৰি গৈছে যদিও সৃষ্টিৰাজি আৰু মানৱতাৰ সংজ্ঞাৰে তেওঁ অসমত চিৰদিন জীয়াই থাকিব।

০০০০০০

অসম ৰে'ল যাত্ৰী সন্থাই নিউ তিনিচুকীয়া ইণ্টাৰচিটী ৰে'লগাড়ীখনক জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। জনতাৰ শিল্পীগৰাকীৰ কালি শেষকৃত্যৰ পাছতে অসম ৰে'লযাত্ৰী সন্থাই সম্প্ৰতি ০৫৯২১/৯২২ নম্বৰৰ

নিউ তিনিচুকীয়া ইণ্টাৰচিটী ৰে'লগাড়ীখনক জুবিন এক্সপ্ৰেছ নামকৰণ কৰি পুনৰ চলাচল আৰম্ভ কৰাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে ২০২৩ চনৰ মাৰ্চত তিনিচুকীয়াৰ পৰা ধুবুৰীলৈ এখন ৰে'লগাড়ী চলাচল কৰোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যৱস্থা কৰিছিল যদিও পাছত ইয়াৰ চলাচল বন্ধ কৰি দিয়া হয়। এই জৰুৰী ৰে'লগাড়ীখন পুনৰ চলাচল কৰাবলৈ ৰে'লযাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মাই আহ্বান জনাইছে।

০০০০০০

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৬ খন বিশেষ ৰে'লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি, গুমটিনগৰ, কিযাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোড়খপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

০০০০০০

মাজুলীৰ বালিচাপৰিত কালি নিশা সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত ৬ খন ব্যৱসায়িক প্ৰতিষ্ঠানৰ লক্ষাধিক টকাৰ সামগ্ৰী ভস্মীভূত হৈছে। এখন হোটেলৰ পৰা জুইৰ সূত্ৰপাত হোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। দুখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে বহু প্ৰচেষ্টাৰ অন্তত জুই নিৰ্বাপণ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

সমাপ্ত